দেশ

ডিগাৰু ৰে’ল দুর্ঘটনাৰ পিছৰে পৰা সন্ধানহীন অষ্ট্রেলীয় পর্যটক, মিজোৰামলৈ গৈ আছিল যুৱকজন

ডিগাৰু ৰে'ল ষ্টেচনত কলকাতা-সাইৰাং এক্সপ্রেছ লাইনচ্যুত হোৱাৰ পিছত মিজোৰামমুখী এজন অষ্ট্রেলীয় পর্যটকৰ সন্ধান পোৱা নাই।

প্রকাশ: ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪০



Kolkata–Sairang Express at Digaru Railway Station in Assam (NewzNow)

গুৱাহাটী, ১১ নৱেম্বৰ: ডিগাৰু ৰে’ল ষ্টেচনত কলকাতা–ছাইৰাং এক্সপ্রেছ লাইনচ্যুত হোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ আছে মিজোৰাম অভিমুখে যাত্রা কৰা এজন অষ্ট্রেলীয় পর্যটক। বুধবাৰে পুৱাৰ দুর্ঘটনাটোৰ পিছৰে পৰা পর্যটকজনৰ কোনো সন্ধান লাভ কৰা হোৱা নাই। তেওঁৰ পৰিচয়ো বর্তমানলৈকে নিশ্চিত হোৱা নাই।

থাকুৰকুছি ৰে’ল ষ্টেচনৰ ষ্টেচন মাষ্টৰে জনোৱা অনুসৰি, এজন চক্র বিষয়াৰ জৰিয়তে মিজোৰাম অভিমুখে যাত্রা কৰা অষ্ট্রেলীয় নাগৰিকজনৰ সন্ধানহীন হোৱাৰ খবৰ লাভ কৰা হৈছিল। পর্যটকজন দুর্ঘটনাগ্রস্ত কলকাতা–ছাইৰাং এক্সপ্রেছখনৰ যাত্রী আছিল বুলি জানিব পৰা গৈছে।

খবৰ লাভ কৰাৰ পিছতে পর্যটকজনৰ সন্ধানত ডিগাৰু ৰে’ল ষ্টেচনৰ বিষয়াসকলৰ সৈতে যোগাযোগ কৰি অনুসন্ধান আৰম্ভ কৰা হয়। কিন্তু বর্তমানলৈকে তেওঁৰ কোনো সন্ধান লাভ কৰা হোৱা নাই।

দুর্ঘটনাৰ পিছত পর্যটকজনে আন এখন ৰে’লত উঠি যাত্রা অব্যাহত ৰাখিব পাৰে বুলিও সম্ভাৱনা প্রকাশ কৰা

হৈছে। অৱশ্যে এই সন্দর্ভত কোনো নিশ্চিত তথ্য লাভ কৰা হোৱা নাই। পর্যটকজনৰ সন্ধান নোপোৱাত তেওঁৰ পৰিয়াল আৰু সংশ্লিষ্ট লোকসকলৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে।

উল্লেখ্য যে, বুধবাৰে পুৱা প্ৰায় ৬.৫৪ বজাত ১৩১২৫ নম্বৰৰ কলকাতা–ছাইৰাং এক্সপ্ৰেছখন ডিগাৰু ৰে'ল ষ্টেচনত আন এখন ৰে'লক পাৰ হ'বলৈ সুবিধা দিয়াৰ সময়তে লাইনচ্যুত হয়। দুৰ্ঘটনাটোত ৰে'লখনৰ ইঞ্জিনসহ পাঁচটা দবা লাইনচ্যুত হৈছিল।

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তথ্য অনুসৰি, ৰে'লখনৰ চালকে গতি নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাৰ সময়ত ৰে'লখন মিজোৰামৰ ছাইৰাঙৰ পৰা কলকাতালৈ গৈ আছিল।

ঘটনাৰ পিছতে ৰে'ল বিভাগে উদ্ধাৰ আৰু সাহায্য অভিযান আৰম্ভ কৰে। আবদ্ধ যাত্ৰীসকলক বিকল্প ৰে'লৰ ব্যৱস্থাৰে নিজ নিজ গন্তব্যস্থানলৈ পঠিওৱাৰ ব্যৱস্থা কৰা হয়।

ইফালে, সন্ধানহীন অষ্ট্ৰেলীয় পর্যটকজনৰ সন্ধান অব্যাহত আছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2047/australian-tourist-missing-digaru-derailment